# REGIONAL NEWS UNIT
## AKASHVANI, GUWAHATI
0000000000

**Date :** 05-06-2025
**Time :** 1845 HRS

## *Assamese Evening Bulletin*
## Headlines
-------------------

১।	প্লাষ্টিক প্ৰদূষণ ৰোধৰ বিষয়বস্তুৰে অসমতো আজি বিস্তাৰিত কাৰ্যসূচীৰে বিশ্ব পৰিৱেশ দিৱস উদযাপন। দিৱসৰ সৈতে সংগতি ৰাখি মুখ্যমন্ত্ৰীৰ দুটা নতুন প'ৰ্টেল মুকলি।

২।	২০৭০ চনৰ ভিতৰত দেশত সম্পূৰ্ণৰূপে সেউজ শক্তি ব্যৱহাৰৰ লক্ষ্যৰে আৰম্ভ কৰা প্ৰধানমন্ত্ৰী সূৰ্যঘৰ আঁচনিৰ ৰূপায়ণত অসমৰ অগ্ৰগতি।

৩।	ৰাজ্যৰ বান পৰিস্থিতিৰ সামান্য উন্নতি। মুখ্যমন্ত্ৰীৰ উত্তৰ গুৱাহাটীৰ বান পৰিস্থিতিৰ পৰ্যালোচনা।

৪।	উত্তৰ গুৱাহাটীত লাভলীনা বক্সিং একাডেমী মুকলি। প্ৰতিষ্ঠানখনলৈ ২ কোটি টকাৰ অনুদান ঘোষণা।

*আৰু*

৫।	গুৱাহাটীত আন্তঃজিলা জুনিয়ৰ আৰু এলীট বক্সিং চেম্পিয়নশ্বিপ আৰম্ভ।

00000

প্ৰকৃতি সুৰক্ষা আৰু পৰিৱেশ সচেতনতা সৃষ্টিৰ লক্ষ্যৰে আজি ৰাজ্যৰ বিভিন্ন প্ৰান্তত বিশ্ব পৰিৱেশ দিৱস উদযাপন কৰা হয়। এইবছৰৰ পৰিৱেশ দিৱসৰ বিষয়বস্তু হৈছে- **প্লাষ্টিক প্ৰদূষণ ৰোধ কৰা।** প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ **এক পেড় মা কে নাম** কাৰ্যসূচীৰ অংশ হিচাপে জিলাসমূহৰ শিক্ষানুষ্ঠান, চৰকাৰী কাৰ্যালয়ত গছপুলি ৰোপণ কৰা হয়। বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানেও পৰিৱেশ সচেতনতা সৃষ্টিৰ লক্ষ্যৰে বাটৰ নাট পৰিৱেশন কৰাৰ লগতে গছপুলি ৰোপণ আৰু গছপুলি বিতৰণ কৰে।

গুৱাহাটীৰ শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰত অনুষ্ঠিত বিশ্ব পৰিৱেশ দিৱসৰ বিশেষ কাৰ্যসূচীত অংশগ্ৰহণ কৰি মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই এটা বিশেষ প'ৰ্টেল মুকলি কৰে। মুখ্যমন্ত্ৰী ড০ শৰ্মাই নিজৰ মাতৃৰ নামত ৰোপণ কৰা গছপুলিৰ ফটো আপলোড কৰিবলৈ সকলোকে পৰামৰ্শ দিয়ে।

**বাইট (চি এম)**

মুখ্যমন্ত্ৰীগৰাকীয়ে লগতে কয়, যে ৰাজ্য চৰকাৰে বনভূমিৰ সুৰক্ষাৰ বাবে আন এটা নতুন প'ৰ্টেল মুকলি কৰিছে। এই প'ৰ্টেলৰ জৰিয়তে কৃত্ৰিম বুদ্ধিমত্তা আৰু ছেটেলাইটৰ সহায়ত যিকোনো ঠাইত বন ধ্বংস কৰা কাৰ্য শীঘ্ৰেই প্ৰত্যক্ষ কৰি ব্যৱস্থা গ্ৰহণ কৰিব পৰা যাব। ডঃ শৰ্মাই এই অনুষ্ঠানতে তৃতীয় বন সুৰক্ষা বাহিনীক প্ৰয়োজনীয় অস্ত্ৰ-শস্ত্ৰ বিতৰণ কৰে। ইয়াৰ ফলত বন সুৰক্ষাৰ ক্ষেত্ৰত তেওঁলোকে স্বতন্ত্ৰ আৰু শক্তিশালীভাৱে কাম কৰি যাব পাৰিব বুলি মুখ্যমন্ত্ৰীগৰাকীয়ে আশা প্ৰকাশ কৰে। বন আৰু পৰিৱেশ মন্ত্ৰী চন্দ্ৰমোহন পাটোৱাৰীও উপস্থিত থকা আজিৰ এই অনুষ্ঠানত মুখ্যমন্ত্ৰীয়ে বন বিভাগৰ বাবে ১৩০ খন বাহন মুকলি কৰে।

কামৰূপ মহানগৰ জিলাৰ শিক্ষানুষ্ঠানসমূহত একোটাকৈ গছপুলি ৰোপণ কৰা হয়। **এক পেড় মা কে নাম** কাৰ্যসূচীৰ অধীনত বহু শিক্ষানুষ্ঠানত ছাত্ৰ-ছাত্ৰীসকলে তেওঁলোকৰ মাতৃৰ সৈতে গছপুলি ৰোপণ কৰি ছেল্ফি লোৱাৰ লগতে ফটোসমূহ নিৰ্ধাৰিত প'ৰ্টেলত আপলোড কৰে। জিলাখনত বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানেও বিশ্ব পৰিৱেশ দিৱসৰ কাৰ্যসূচী ৰূপায়ণ কৰে। মহাবীৰ লাচিত সেনা অসমে পৰিৱেশৰ প্ৰতি সচেতনতা সৃষ্টিৰ লক্ষ্যৰে আজি মহানগৰীৰ বিভিন্ন স্থানত **প্ৰকৃতি সুৰক্ষা জীৱন ৰক্ষা** নামৰ এখন বাটৰ নাট প্ৰদৰ্শন কৰে। চচল যুৱ সংঘৰ উদ্যোগত আৰু চচল আঞ্চলিক উন্নয়ন সমিতি, চচল জনজাতি মহিলা সমিতি, চচল সাহিত্য চ'ৰা সমিতি, শ্ৰীমন্ত শংকৰদেৱ নামঘৰ সংস্কৃতি কেন্দ্ৰ আৰু চচল ছয়মাইল মহিলা সমিতিৰ সহযোগত এই দিৱস পালন কৰা হয়।

**গোৱালপাৰা** জিলা বন বিভাগৰ গোৱালপাৰা সংমণ্ডলে উৰপদ বিলত আজি গছপুলি ৰোপণ কৰে। এই কাৰ্যসূচীত জিলা আয়ুক্ত খনীন্দ্ৰ চৌধুৰী, আৰক্ষী অধীক্ষক নৱনীত মহন্ত আৰু গোৱালপাৰা সংমণ্ডল প্ৰাধিকাৰী তেজেশ মাৰিয়াস্বামী উপস্থিত থাকে। জনস্বাস্থ্য কাৰিকৰী বিভাগ গোৱালপাৰা সংমণ্ডলেও আমজঙাৰ দীনদয়াল উপাধ্যায় মহাবিদ্যালয়ত বিশ্ব পৰিৱেশ দিৱস পালন কৰে। ৰাজ্য চৰকাৰৰ সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ উদ্যোগত তথা পৰিৱেশ আৰু বন বিভাগৰ সহযোগত **চিৰাঙৰ** বড়োবজাৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ চৌহদত বিশ্ব পৰিৱেশ দিৱস উপলক্ষে বাটৰ নাট পৰিৱেশন কৰাৰ লগতে গছপুলি ৰোপণ কৰা হয়। কোকৰাঝাৰ চিকিৎসা মহাবিদ্যালয় হাস্পতালত মন্ত্ৰী উৰ্খাও গৌৰা ব্ৰহ্ম আৰু বিটিআৰ প্ৰধান প্ৰমোদ বড়োৱে এই দিৱসৰ সৈতে সংগতি ৰাখি গছপুলি ৰোপণ কৰে।

আমাৰ সংবাদদাতাসকলে জনোৱা মতে কামৰূপ, মৰিগাঁও, বিশ্বনাথ, দৰং, নলবাৰী, বৰপেটা, দক্ষিণ শালমাৰা মানকাচৰ, ধুবুৰী, পশ্চিম কাৰ্বি আংলং, কাৰ্বি আংলং আৰু কাছাৰ জিলাতো বিশ্ব পৰিৱেশ দিৱস উপলক্ষে বিভিন্ন কাৰ্যসূচীৰ আয়োজন কৰা হয়।

কামৰূপ জিলাৰ শুৱালকুছিৰ বুদৰাম মাধৱ সত্ৰাধিকাৰ মহাবিদ্যালয়ত এই দিৱস উপলক্ষে মহাবিদ্যালয়খনৰ উদ্ভিদ বিজ্ঞান বিভাগৰ উদ্যোগত আৰু অক্ষৰ ফাউণ্ডেচনৰ সহযোগত এখন পৰ্যালোচনা আৰু সজাগতা সভা অনুষ্ঠিত হয়।

ডিব্ৰুগড়, তিনিচুকীয়া, চৰাইদেউ, শিৱসাগৰ, মাজুলী, যোৰহাট, গোলাঘাটৰ লগতে ধেমাজি, লখিমপুৰ, বিশ্বনাথ জিলাতো প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ এক পেড় মা কে নাম কাৰ্যসূচীৰ অংশ হিচাপে বিভিন্ন শিক্ষানুষ্ঠান, চৰকাৰী কাৰ্যালয়ত গছপুলি ৰোপণ কৰা হয়।

সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ উদ্যোগত তথা পৰিৱেশ আৰু বন বিভাগৰ সহযোগত বিশ্ব পৰিৱেশ দিৱসৰ সৈতে সংগতি ৰাখি ডিব্ৰুগড়ত নদীৰ অসুখ শীৰ্ষক বাটৰ নাট প্ৰদৰ্শন কৰা হয়। জিলাখনৰ প্ৰতিটো বিধানসভা সমষ্টিতে বাটৰ নাট প্ৰদৰ্শন কৰা হয়। ডিব্ৰুগড় জিলা মানকটা প্ৰগতি মধ্য ইংৰাজী বিদ্যালয়ত এই দিৱস উপলক্ষে  সজাগতা সভা আৰু গছপুলি ৰোপণ কাৰ্যসূচী ৰোপণ কৰা হয়।

মাজুলী জিলা বন বিভাগৰ উদ্যোগত চামগুৰি সত্ৰ ৰাওনাপাৰ আদৰ্শ উচ্চতৰ মাধ্যমিক বিদ্যালয়ত গছপুলি ৰোপণ কাৰ্যসূচী অনুষ্ঠিত হয়। বিধায়ক ভূৱন গামে এই কাৰ্যসূচী উদ্বোধন কৰে। ধেমাজি জিলাতো বিশ্ব পৰিৱেশ দিৱস উপলক্ষে বিভিন্ন কাৰ্যসূচী অনুষ্ঠিত হয়। ধেমাজি জিলাৰ বিভিন্ন থানাৰ লগতে তুলসীবাৰীত থকা আৰক্ষী ছাউনী আৰু আৰক্ষী অধীক্ষকৰ কাৰ্যালয়ৰ চৌহদত গছপুলি ৰোপণ কৰা হয়। ধেমাজি আঞ্চলিক ছাত্ৰ সন্থায়ো আজি গছপুলি ৰোপণ কাৰ্যসূচী অনুষ্ঠিত কৰে। চিচিবৰগাঁও মহাবিদ্যালয়তো গছপুলি ৰোপণ কৰা হয়। গোলাঘাট জিলাৰ বিভিন্ন স্থানতো দল-সংগঠন, অনুষ্ঠান-প্ৰতিষ্ঠান, বিভিন্ন শিক্ষানুষ্ঠানত বিশ্ব পৰিৱেশ

দিৱস উদযাপন কৰা হয়। ঠায়ে ঠায়ে সজাগতামূলক সমদল, বক্তৃতানুষ্ঠান আৰু গছপুলি ৰোপণ কাৰ্যসূচী আয়োজিত হয়।

ooooo

২০৭০ চনৰ ভিতৰত ভাৰতবৰ্ষই সম্পূৰ্ণৰূপে সেউজ শক্তি ব্যৱহাৰ কৰাৰ প্ৰয়াসৰ অংশ হিচাপে সমগ্ৰ দেশতে আৰম্ভ কৰা প্ৰধানমন্ত্ৰী সূৰ্য ঘৰ আঁচনিয়ে অসমতো যথেষ্ট সঁহাৰি লাভ কৰিছে। বিশ্ব পৰিৱেশ দিৱসৰ দিনাখন ৰাজ্যত এই আঁচনি ৰূপায়ণ সম্পৰ্কত অসম বিদ্যুৎ বিতৰণ কোম্পানী লিমিটেডৰ নতুন আৰু পুনৰ ব্যৱহাৰ যোগ্য শক্তি বিভাগৰ মুখ্য মহা প্ৰবন্ধক বিজয় শংকৰ বৰুৱাই এনেদৰে মন্তব্য আগবঢ়ায়।

***(বাইট ঃ বিজয় শংকৰ বৰুৱা)***

ooooo

ৰাজ্যৰ সাম্প্ৰতিক বান পৰিস্থিতিৰ সামান্য উন্নতি হৈছে যদিও বিভিন্ন নৈ-উপনৈৰ জলস্তৰ বিপদসীমাৰ ওপৰত থকাৰ পৰিপ্ৰেক্ষিতত ১৯ খন জিলাৰ ভালেমান অঞ্চল এতিয়াও বানৰ কবলত আছে। সাম্প্ৰতিক বানত ৰাজ্যখনত ৬ লাখ ৭৮ হাজাৰৰো অধিক লোক ক্ষতিৰ সন্মুখীন হৈছে। যোৱা ২৪ ঘণ্টাত বানৰ ফলত দুজন লোকে প্ৰাণ হেৰুৱায়। ইয়াৰ ফলত বছৰৰ প্ৰথমটো বানত ৰাজ্যখনত প্ৰাণ হেৰুওৱা লোকৰ সংখ্যা ১৪ লৈ বৃদ্ধি পাইছে। জিলা প্ৰশাসনসমূহে স্থাপন কৰা ১৯০টা আশ্ৰয় শিবিৰত ৪১ হাজাৰ ৩১৭ ৰো অধিক লোকে আশ্ৰয় লৈ আছে। এই সময়ছোৱাত ২ লাখৰো অধিক পশুধনৰো ক্ষতি হৈছে। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই আজি উত্তৰ গুৱাহাটীত বান ক্ষতিগ্ৰস্ত লোকসকলক সাক্ষাৎ কৰি পৰিস্থিতিৰ বুজ লয়। ক্ষতিগ্ৰস্ত লোকসকলৰ বাবে আশ্ৰয়গৃহৰ ব্যৱস্থা কৰাৰ উপৰি প্ৰয়োজনীয় সাহায্য প্ৰদানৰ দিহা কৰা হৈছে বুলি মুখ্যমন্ত্ৰীয়ে প্ৰকাশ কৰে। উল্লেখযোগ্য যে, এছ ডি আৰ এফ আৰু এন ডি আৰ এফে কেইবাখনো জিলাত উদ্ধাৰ অভিযান চলাই আছে। বানৰ ফলত ৰাজ্যৰ বিভিন্ন স্থানত পথ, ৰে'ল আৰু ফেৰী সেৱা ব্যাহত হৈছে। ভাৰতীয় বতৰ বিজ্ঞান বিভাগে অহা ২৪ ঘণ্টাত ৰাজ্যখনত পাতলীয়াৰ পৰা বিজুলী-ঢেৰেকনিৰে ধাৰাসাৰ বৰষুণ হোৱাৰ সম্ভাৱনা প্ৰকাশ কৰিছে।

ooooo

মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই আজি কামৰূপ জিলাৰ উত্তৰ গুৱাহাটীত লাভলীনা বক্সিং একাডেমী উদ্বোধন কৰে। টকিঅ' অলিম্পিকত ব্ৰঞ্জৰ পদক অৰ্জন কৰা লাভলীনা বৰগোহাঁইৰ উদ্যোগত গঢ়ি উঠা বক্সিং একাডেমীখন মুকলি কৰি মুখ্যমন্ত্ৰী ড০ শৰ্মাই ২ কোটি টকাৰ অনুদান দিয়াৰ কথা ঘোষণা কৰে। একাডেমীখনত খেলুৱৈৰ হোষ্টেলৰ সুবিধা আৰু আন্তঃগাঁথনি উন্নয়নৰ বাবে এই অনুদান আগবঢ়োৱা হ'ব। একাডেমীখনৰ মান উন্নত কৰাৰ বাবে প্ৰয়োজন সাপেক্ষে ভূমি আৱণ্টনৰ বাবে মুখ্যমন্ত্ৰীগৰাকীয়ে ক্ৰীড়া বিভাগক নিৰ্দেশ দিয়ে। মুখ্যমন্ত্ৰীগৰাকীয়ে লগতে মণিপুৰৰ দৰে অসমতো ক্ৰীড়াৰ পৰিৱেশ উন্নত কৰাৰ ওপৰত গুৰুত্ব প্ৰদান কৰে। ৰাজ্যৰ চুকে-কোণে লুকাই থকা প্ৰতিভাৱান খেলুৱৈসকলক চিনাক্ত কৰি তেওঁলোকৰ বাবে ৰাজ্যত শীঘ্ৰেই দুহেজাৰ খেলুৱৈৰ এটা হোষ্টেল নিৰ্মাণ কৰাৰ কথা মুখ্যমন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰে।

**বাইট (চি এম)**

ooooo

কেন্দ্ৰত শাসনাধিষ্ঠিত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী নেতৃত্বাধীন এন ডি এ চৰকাৰে ১১ বছৰ সম্পূৰ্ণ কৰাৰ দিশে অগ্ৰসৰ হৈছে। সেৱা, সুশাসন আৰু গৰীৱ কল্যাণৰ লক্ষ্যৰে অনুপ্ৰাণিত হৈ ভাৰতে বিগত দশকত উল্লেখনীয় ৰূপান্তৰ সাধন কৰিছে। আকাশবাণীৰ বাতৰি বিভাগৰ দ্বাৰা প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী নেতৃত্বাধীন

কেন্দ্ৰীয় চৰকাৰে যোৱা ১১ টা বছৰত গ্ৰহণ কৰা পদক্ষেপ সন্দৰ্ভত আলোকপাত কৰিবলৈ প্ৰয়াস কৰা হৈছে। আজি দেশৰ সাংস্কৃতিক ঐতিহ্য সংৰক্ষণৰ দ্বাৰা ভাৰতীয় সভ্যতাৰ গৌৰৱ পুনৰুদ্ধাৰ সন্দৰ্ভত আলোকপাত কৰা হ'ব।

**(ভইচ)**

বিগত দশকটোত ভাৰতৰ সাংস্কৃতিক যাত্ৰা এটা দৃষ্টিনন্দন আল্পনাৰ দৰে ৰঙীণ, পৰম্পৰাক প্ৰতিফলিত কৰা আৰু বিশ্বমুখী আছিল। হাম্পিৰ প্ৰাচীন মন্দিৰৰ পৰা ধ্ৰুপদী সংগীত আৰু নৃত্যৰ প্ৰচলিত পৰম্পৰাক চৰকাৰে নতুন ৰূপত পুনৰুজ্জীৱিত কৰি তুলিছে। অযোধ্যাৰ ৰাম মন্দিৰ জনসাধাৰণৰ ঐতিহাসিক অভিলাষ পূৰণ কৰি দেশৰ বিশ্বাস আৰু ৰাষ্ট্ৰীয় একতাৰ অনন্য প্ৰতীক হিচাপে পৰিগণিত হৈছে। তদুপৰি বাৰানসীৰ কাশী বিশ্বনাথ ধাম কৰিড'ৰ প্ৰকল্পই কাশী বিশ্বনাথ মন্দিৰক পৱিত্ৰ গংগা নৈৰ সৈতে সংযুক্ত কৰি তীৰ্থ যাত্ৰীসকলক অভিনৱ অভিজ্ঞতাৰ স্বাদ দিছে। পাঁচ হাজাৰ কোটি টকা আৱণ্টন কৰা স্বদেশ দৰ্শন আঁচনিয়ে দেশত ৭৬ টা প্ৰকল্প ৰূপায়ণেৰে পৰিবহণ আন্তঃগাঁথনিৰ বিস্তৰ ৰূপান্তৰ সাধন কৰিছে। একেদৰে হৃদয় আঁচনিৰ অধীনত ১২ খন ঐতিহ্য নগৰীক বিকশাই তোলাৰ লক্ষ্য লোৱা হৈছে।

ooooo

আপোনালোকৰ বাবে তেওঁলোকৰ কণ্ঠ হয়তো সুপৰিচিত। কিন্তু আকাশবাণীৰ বাতৰি কক্ষৰ বাহিৰতো তেওঁলোকৰ এটা নিজস্ব পৰিচয় আছে। এনে কেইগৰাকীমান বাতৰি পঢ়োতাৰ ভিন্ন পৰিচয় আগবঢ়োৱা হ'ব আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ বাতৰি বিভাগৰ অহা ৭ জুনৰ নিশা ৮ বাজি ২ মিনিটৰ দৃষ্টিপাত অনুষ্ঠানত। আকাশবাণী বাতৰি বিভাগৰ মুৰববী ৰাজীৱ লোচন বৰঠাকুৰৰ সৈতে এই অনুষ্ঠানত অন্তৰংগ আলাপত ভাগ ল'ব আকাশবাণী গুৱাহাটীৰ তিনিগৰাকী বাতৰি পৰিৱেশিকাই।

ooooo

অসম দক্ষতা বিশ্ববিদ্যালয়ৰ মঙলদৈত নিৰ্মিয়মান দক্ষতা বিশ্ববিদ্যালয় চৌহদক এবাৰ ব্যৱহায্য প্লাষ্টিকমুক্ত চৌহদ হিচাপে ঘোষণা কৰা হৈছে। পৰিৱেশ বহন ক্ষমতাৰ দিশত গ্ৰহণ কৰা পদক্ষেপৰ অংশ হিচাপে এই ঘোষণা কাৰ্যকৰী কৰা হ'ব। বিশ্ববিদ্যালয়খনৰ উপাচাৰ্য সুভাষ চন্দ্ৰ দাসে এই বিষয়ে সদৰি কৰি কয়, যে দেশৰ পূৰ্বাঞ্চলৰ একমাত্ৰ ৰাজ্যিক দক্ষতা বিশ্ববিদ্যালয় হিচাপে প্লাষ্টিক প্ৰদূষণৰ সমস্যা ৰোধ কৰাৰ ক্ষেত্ৰত এই দৃষ্টান্তমূলক পদক্ষেপ লোৱা হৈছে। আজিৰ অনুষ্ঠানতে বিশ্ববিদ্যালয়খনে পেণ্টাপলিচ ফাউণ্ডেচন, দূৰ সংযোগ খণ্ডৰ দক্ষতা পৰিষদ আৰু বালিপাৰা ফাউণ্ডেচনৰ সৈতে বুজাবুজিৰ চুক্তি স্বাক্ষৰ কৰে।

ooooo

ধেমাজি আৰক্ষীৰ সহযোগত বন বিভাগে সামাজিক মাধ্যমত পক্ষী নিধনৰ ভয়াবহ দৃশ্য আপলোড কৰাৰ অভিযোগত চিমেনচাপৰি অঞ্চলৰ তিনিজন যুৱকক গ্ৰেপ্তাৰ কৰিছে। ধৃত যুৱক কেইজন চিমেনচাপৰি থানাৰ আন্তৰ্গত হস্তিনাপুৰৰ মুনীন্দ্ৰ মুছাহাৰী, লামকা গাঁৱৰ মহেশ্বৰ স্বৰ্গীয়াৰী আৰু শিৱৰাম স্বৰ্গীয়াৰী বুলি বল বিভাগৰ সূত্ৰই প্ৰকাশ কৰিছে। আটাইকেইজনকে চিমেনচাপৰি থানাত আৰক্ষীৰ জিম্মাত ৰখা হৈছে। জিলা বন বিষয়াই প্ৰকাশ কৰা মতে এই যুৱক কেইজনে শৰালি, হাঁহ, পানী কাউৰী, কঁণামুচৰিকে ধৰি বিভিন্ন বনৰীয়া চৰাইসমূহ নিধন আৰু চৰাইৰ কণী সংগ্ৰহৰ ভিডিঅ' সামাজিক মাধ্যমত আপলোড কৰিছিল। এই ভিডিঅ'সমূহ বন বিভাগৰ দৃষ্টি গোচৰ হোৱাৰ লগে লগে যুৱক কেইজনক ততালিকে গ্ৰেপ্তাৰ কৰা হয়। লোক কেইজনৰ বিৰুদ্ধে বন আইনৰ অধীনত গোচৰ ৰুজু কৰা হৈছে বুলি জানিব পৰা গৈছে।

ooooo

গুৱাহাটী পৌৰ নিগমে মহানগৰীখনৰ সাপ্তাহিক বজাৰত ক্ষুদ্ৰ ব্যৱসায়ীৰ জৰিয়তে নিজৰ লগতে পৰিয়ালৰ উপাৰ্জনৰ পথ মুকলি কৰা অনুসূচীত জাতি অনুসূচীত জনজাতিৰ মহিলাসকলে লেচি বজাৰসমূহত কোনো ধৰণৰ মাচুল নিদিয়াকৈ এতিয়াৰ পৰা ব্যৱসায় কৰিব পাৰিব বুলি ঘোষণা কৰিছে। পৌৰ নিগমৰ মেয়ৰ মৃগেন শৰণীয়াই আজি বেলতলা সাপ্তাহিক বজাৰত এই নতুন ব্যৱস্থাৰ শুভাৰম্ভ কৰে। শ্ৰী শৰণীয়াই কয়, যে গুৱাহাটী মহানগৰৰ ডাক বন্দোবস্তি বজাৰসমূহত কোনো ধৰণৰ মাচুল অবিহনে সেই মহিলাসকলে ব্যৱসায় কৰিব পাৰিব। এই মহিলা ব্যৱসায়ীসকলৰ বাবে ২৫ শতাংশ আসন সংৰক্ষণ কৰা হ'ব বুলিও শ্ৰী শৰণীয়াই প্ৰকাশ কৰে। তেওঁ কয়, যে আৰম্ভণিতে গুৱাহাটীত তিনিখন বজাৰত এই ব্যৱস্থা গ্ৰহণ কৰা হৈছে যদিও পৰৱৰ্তী পৰ্যায়ত বিভিন্ন লেচী বজাৰত এই ব্যৱস্থা প্ৰৱৰ্তন কৰা হ'ব।

ooooo

স্নাতকোত্তৰ শিক্ষক পদৰ বাবে আজি ৰাজ্যৰ ছটা মণ্ডলত প্ৰাৰ্থীসকলৰ নথি পৰীক্ষণ প্ৰক্ৰিয়া আৰম্ভ হৈছে। মাধ্যমিক শিক্ষা সঞ্চালকালয়ৰ নিৰ্দেশনা অনুসৰি কামৰূপ মহানগৰ জিলাৰ লগতে ডিব্ৰুগড়, যোৰহাট, নগাঁও, কাছাৰ আৰু বঙাইগাঁও জিলাত এই নথি পৰীক্ষণ প্ৰক্ৰিয়াত প্ৰাৰ্থীসকলে অংশগ্ৰহণ কৰিছে। আজি গুৱাহাটী পাণবজাৰৰ বিদ্যালয়সমূহৰ পৰিদৰ্শকৰ কাৰ্যালয়ত ৩২৩ গৰাকী প্ৰাৰ্থীৰ নথি পৰীক্ষণ প্ৰক্ৰিয়া সম্পন্ন হয়। উল্লেখযোগ্য যে, পূৰ্বে প্ৰকাশিত বিজ্ঞাপন অনুসৰি এহেজাৰ ৪৮৭টা শিক্ষক পদৰ বাবে নিযুক্তি সম্পন্ন হ'ব।

ooooo

যোৱা নিশা দেহাৰসান ঘটা চেঙা সমষ্টিৰ প্ৰাক্তন বিধায়ক, অসম চৰকাৰৰ প্ৰাক্তন মন্ত্ৰী শুকুৰ আলীৰ জানাজা আজি চেঙাৰ ম'হচৰাত সম্পন্ন হয়। যোৱা নিশা গুৱাহাটীৰ এখন ব্যক্তিগত চিকিৎসালয়ত প্ৰাক্তন মন্ত্ৰীগৰাকীৰ বিয়োগ ঘটিছিল। ১৯৯৬ চনত  চেঙাৰ পৰা প্ৰথমবাৰৰ বাবে অসম বিধানসভালৈ নিৰ্বাচিত হোৱাৰ পাছত ২০০১-২০১১ আৰু ২০১৬ চনতো সমষ্টিৰ পৰা তেওঁ বিধায়ক হিচাপে নিৰ্বাচিত হৈছিল। ২০১১ চনত প্ৰাক্তন মুখ্যমন্ত্ৰী প্ৰয়াত তৰুণ গগৈ নেতৃত্বাধিন চৰকাৰৰ তৃতীয়টো কাৰ্যকালত তেওঁ জনস্বাস্থ্য কাৰিকৰী বিভাগৰ মন্ত্ৰী হিচাপে কাৰ্যনিৰ্বাহ কৰিছিল।

ooooo

অসম এমেচাৰ বক্সিং সন্থাৰ উদ্যোগত গুৱাহাটীৰ উলুবাৰীত আজিৰে পৰা আন্তঃজিলা জুনিয়ৰ আৰু এলিট বক্সিং চেম্পিয়নশ্বিপ অনুষ্ঠিত হৈছে। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই প্ৰতিযোগিতাখন উদ্বোধন কৰে। প্ৰতিযোগিতাখনত ৩৩ খন জিলাৰ প্ৰায় ৪০০ প্ৰতিযোগীয়ে অংশগ্ৰহণ কৰিছে।

ooooo

সমাপ্ত